Total No. of Printed Pages—8

**X/21/AS**

**2021**

**ASSAMESE**

( INDIAN LANGUAGE )

**( FOR CANDIDATES WITH INTERNAL ASSESSMENT )**

*Full Marks* : 80
*Pass Marks* : 24

**( FOR CANDIDATES WITHOUT INTERNAL ASSESSMENT )**

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

**( FOR ALL CATEGORIES OF CANDIDATES )**

*General Instructions* :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **15** are to be answered by all Candidates.

(iv) Question Nos. **16** to **21** are to be answered only by the **Candidates without Internal Assessment**.

## ( গদ্য ভাগ )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে দিয়া (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ছাত্ৰ অৱস্থাত মনৰ গতি কেনেকুৱা হ'ব লাগে?

(খ) ভাৰতীয় সংস্কৃতিৰ প্ৰাণ কি?

(গ) 'ফ্ৰম ভলগা টু গংগা' কাৰ ৰচনা?

(ঘ) ড০ কুলেন্দু পাঠকৰ জন্মস্থান ক'ত?

(ঙ) কোনখন গ্ৰন্থ প্ৰকাশৰ পিছত নিউটনৰ প্ৰতিভাৰ কথা বিদ্বৎমহলে গম পাইছিল?

(চ) 'ছাত্ৰ-জীৱন আৰু সমাজ সেৱা' পাঠটিৰ লেখক কোন?

২। পাঠ্যপুথিত থকাৰ দৰে যি কোনো **পাঁচটাৰ** খালী ঠাই পূৰ কৰা : ১×৫=৫

(ক) ছাত্ৰৰ ______ সঁচাকৈয়ে উন্নতিৰ ঘাই মন্ত্ৰ।

(খ) '______ ______ ৰোৱে পাণ
এই তিনিয়ে নিচিন্তে আন।'

(গ) ______ সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু।

(ঘ) সংস্কৃতিৰ ______ ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।

(ঙ) ______ পৰীক্ষাভিত্তিক নহ'লে অৰ্থহীন আৰু ত্ৰুটিপূৰ্ণ হয়।

(চ) ______ চনত গেলিলিওৰ মৃত্যু আৰু নিউটনৰ জন্ম হয়।

৩। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ছাত্রসকল দেশৰ ভৱিষ্যৎ, আশা-ভৰসাৰ কলি।

(খ) আৰ্যৰ বেদত দেৱী পূজাৰ উল্লেখ পোৱা যায়।

(গ) ১৫৪৩ খ্ৰীষ্টাব্দ বিজ্ঞান তথা মানৱ ইতিহাসৰ এটি উল্লেখযোগ্য বছৰ।

(ঘ) আধুনিক বিজ্ঞান বিপ্লৱৰ শ্ৰীবৃদ্ধিত ৰয়েল ছ'চাইটিৰ যথেষ্ট অৱদান আছে।

(ঙ) জ্ঞান অৰ্জনৰ কালত জ্ঞান বিতৰণ কৰিবলৈ যোৱাটো ন্যায় বুলিব নোৱাৰি।

(চ) গাঁৱেই মাতৃস্বৰূপে নগৰক জন্ম দি পিতৃস্বৰূপে পালন কৰে।

৪। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) লেখক ডিম্বেশ্বৰ নেওগৰ মতে ছাত্ৰ-জীৱনৰ প্ৰকৃত উদ্দেশ্য কি কি? ছাত্ৰসকলে কাৰ্যকৰী শিক্ষা ক'ৰ পৰা, কিদৰে লাভ কৰিব পাৰে? ২+৩=৫

(খ) উত্তৰ ভাৰত আৰু দাক্ষিণাত্য ভাস্কৰ্যৰ বিষয়ে তোমাৰ পাঠ্যপুথিৰ সহায়ত লিখা। ৫

(গ) লণ্ডনৰ ৰয়েল ছ'চাইটি কেতিয়া স্থাপন হৈছিল? এই ছ'চাইটিৰ সৈতে নিউটন কেনেদৰে জড়িত হৈছিল, বুজাই লিখা। ১+৪=৫

## ( পদ্য ভাগ )

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) 'বৰগীত' কোনে ৰচনা কৰা?

(খ) 'মোহপাশ' মানে কি?

(গ) জিকিৰবোৰক কিহৰ লগত তুলনা কৰিব পাৰি?

(ঘ) ভাৰতবৰ্ষৰ উত্তৰে আৰু দক্ষিণে কি কি আছে?

(ঙ) **'মোৰদেশ মানুহৰ দেশ'** কবিতাটিত এই দেশখন কাৰ দেশ বুলি উল্লেখ কৰা হৈছে?

(চ) বৰগীতসমূহ কি ভাষাত ৰচনা কৰা হৈছিল?

৬। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূলভাৱ চমুকৈ লিখা : ৫

(ক) বৰগীত

(খ) জিকিৰ

**অথবা**

'মোৰদেশ মানুহৰ দেশ' কবিতাটোৰ মাজেৰে প্ৰকাশ পোৱা কবিৰ স্বদেশানুভূতি সম্পৰ্কে বহলাই লিখা। ৫

৭। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) **'বৰগীত'**টিৰ ৰচকৰ পৰিচয় লিখা।

(খ) ''পানী মৰে পিয়াহত অগ্নি মৰে জাৰত।
খোদা ৰছুল লুকাই আছে, মোমিনৰ আঁৰত॥''

তাৎপৰ্য বিচাৰ কৰা।

(গ) ''বাৰে বাৰে সাজিছে কাৰেং
বিশ্ব সভ্যতাৰ''

কবিতাংশৰ জৰিয়তে কবিয়ে বিশ্ব সভ্যতাৰ কাৰেং সজা বুলি কিহক বুজাইছে, বিশ্লেষণ কৰা।

## ( দ্ৰুত পাঠ )

৮। তলত দিয়া যি কোনো **পাঁচটা** শব্দৰ অৰ্থ লিখা : ১×৫=৫

খদমদম; নিমাখিত; উপলব্ধি; চোঁচ; শুকনী; খৰিকা; মাৰনাও; প্ৰত্যক্ষ।

৯। চমু টোকা লিখা (যি কোনো **দুটা**) : ২$\frac{১}{২}$×২=৫

(ক) ৰেজিবুদ্দিন আহমেদ

(খ) পাঠশালাৰ শিক্ষক

(গ) পাংখাৱালা

(ঘ) সুশীল ঠাকুৰ

১০। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫

(ক) সপ্তমমানত ভৰি দিয়াৰ সময়ত লেখক ভবেন্দ্ৰনাথ শইকীয়াৰ মন কেনে লাগিছিল? তেওঁ কি কি পৰিৱৰ্তন দেখিছিল? কি কি মনেৰে উপলব্ধি কৰিছিল?

(খ) ভীমগাঁও নামৰ গাঁওখনৰ এটা বৰ্ণনা দিয়া।

(গ) যুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ ধামখুমিয়াত লেখকৰ স্কুলীয়া জীৱন কেনে হৈ পৰিছিল?

## ( ব্যাকৰণ ভাগ )

১১। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

পঞ্চ + অমৃত; বিদ্যা + আলয়; উৎ + নতি; আশীঃ + বাদ; পৰীক্ষা; অতীন্দ্ৰিয়; দেৱৰ্ষি; পৱিত্ৰ।

১২। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫

(ক) পদ কেইপ্ৰকাৰ আৰু কি কি? প্ৰত্যেকৰে একোটাকৈ উদাহৰণ দিয়া।

(খ) কাৰক কাক বোলে? অসমীয়া কাৰকৰ প্ৰয়োগ কেনেকৈ কৰা হয়?

(গ) অসমীয়া স্ত্ৰী প্ৰত্যয় কি কি? উদাহৰণসহ সিহঁতৰ ব্যৱহাৰ উল্লেখ কৰা।

১৩। তোমাৰ ভৱিষ্যৎ জীৱনৰ পৰিকল্পনা বৰ্ণনা কৰি তোমাৰ বন্ধু/বান্ধৱীলৈ এখন পত্ৰ লিখা। ৫

**অথবা**

তোমাৰ বিদ্যালয়ৰ অধ্যক্ষলৈ ছুটি বিচাৰি এখন আৱেদনপত্ৰ লিখা। (তোমাৰ নাম আৰু ঠিকনা নিলিখিবা) ৫

১৪। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) যি ঈশ্বৰক বিশ্বাস কৰে

(খ) যি মাটিত সাৰ নাই

(গ) খাবলৈ অনা কলপুলি

(ঘ) একে মাকৰ যি সন্তান

(ঙ) বিহুৰ আগদিনা

(চ) য'ত বহুতো ল'ৰা-ছোৱালীয়ে পঢ়ে

(ছ) যাক সহজতে ভাঙিব পাৰি

(জ) যাৰ অন্ত নাই

**অথবা**

তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) অতি ভক্তি চোৰৰ লক্ষণ।

(খ) উপকাৰীক অজগৰে খায়।

(গ) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ।

১৫। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) বিহু

(খ) মেঘালয়ৰ প্ৰাকৃতিক সম্পদ

(গ) সমাজ সংগঠনত ছাত্ৰৰ কৰ্তব্য

(ঘ) তোমাৰ প্ৰিয় খেল

**( For Candidates without Internal Assessment )**

**১৬।** তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি?

(খ) সুকুমাৰ কলাৰ ভিতৰত কোনটো শিল্পক বেছি স্থায়ী বোলা হৈছে?

(গ) ড০ কুলেন্দু পাঠকে কোনখন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল?

(ঘ) 'এলমেজেষ্ট' গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) কোনজন সাহিত্যিক অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা হিচাপে পৰিচিত?

(চ) ছাত্ৰৰ উন্নতিৰ ঘাই মন্ত্ৰ কি?

**১৭।** পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) মোৰদেশ মানুহৰ দেশ
______ ______ দক্ষিণে সাগৰ।

(খ) ______ আবেগত হাবি কাটি নগৰ সাজিছে।

(গ) ______ সাজিছে ওঙ্কাৰ ধাম।

(ঘ) কৃপা কৰা নাৰায়ণ ছোড় ______।

(ঙ) দেও মাৰি পাৰ হ'লে এৰিলে ______।

১৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : 8

(ক) বৰগীতৰ চাৰিটা লক্ষণৰ বিষয়ে লিখা।

(খ) নতুন দিনৰ স্বপ্ন দুচকুত
ডেকা–গাভৰুৰ
দুবাহুত শক্তিৰ সঞ্চয়।

তাৎপৰ্য ব্যাখ্যা কৰা।

(গ) মক্কাৰ দুৱাৰত চাহাব তিৰ বেণীৰ ঘাট
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট॥

তাৎপৰ্য বিচাৰ কৰা।

১৯। চমু টোকা লিখা (যি কোনো **এটা**) : ৩

(ক) দীঘলী বাই

(খ) লেখক ভবেন্দ্ৰনাথ শইকীয়াৰ প্ৰথম ফটোখন

(গ) খুঁটি বৰশী

২০। তলৰ খণ্ড–বাক্যকেইটাৰ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য–ৰচনা কৰা (যি কোনো **তিনিটা**) : ১×৩=৩

আটোম টোকাৰি; অমাতৰ মাত; টুপাই বুৰমাৰ; আলেঙে আলেঙে; খাই পাতফলা; পেটে ভাতে খা।

২১। তলত দিয়া শব্দৰ দুটাকৈ প্ৰতিশব্দ লিখা (যি কোনো **দুটা**) : ১×২=২

চন্দ্ৰ; ৰাতি; আকাশ; ঘৰ; পৃথিৱী।

★ ★ ★